জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ১৪/২০২১**

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক**

# চলিত মাহৰ ভিতৰতে ১ লাখৰো অধিক খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ মাজত আনুষ্ঠানিকভাৱে বিতৰণ কৰা হ'ব ভূমিৰ পট্টা

**দিছপুৰ, ৭ জানুৱাৰী ঃ** চলিত মাহৰ ভিতৰতে ৰাজ্যৰ ১ লাখ ভূমিহীন খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা আৰু অনুমোদন পত্ৰ বিতৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সভাকক্ষত আজি এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত এই কাৰ্যসূচীৰ সবিশেষ আলোচনা কৰা হয়। বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগক এই লক্ষ্য লোৱা ১ লাখ ভূমিহীন পৰিয়ালক ভূমিৰ পট্টা আৰু অনুমোদন পত্ৰ প্ৰদানৰ যাৱতীয় ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। নিৰ্দ্ধাৰিত লক্ষ্যতকৈ অধিক পৰিয়ালক যদিহে সামৰি ল'ব পৰা যায় তাৰ ব্যৱস্থা ল'বলৈও মুখ্যমন্ত্ৰীয়ে বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ভূমি পট্টা প্ৰদানৰ বিষয়টো আৰু অধিক ক্ষিপ্ৰ কৰাৰ বাবে লাট মণ্ডল আৰু চক্ৰ বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে আলোচনা কৰাৰ বাবে মুখ্য সচিবৰ লগতে ৰাজহ বিভাগৰ বিষয়াবৰ্গক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী যোগেন মহন, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত সচিব এম এছ মনিৰত্নমকে ধৰি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বঃভাঃ**
**৭/০১/২০২১**